জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৫৬/২০২০

# মুখ্যমন্ত্ৰীয়ে ক্ৰয় কৰিলে মাটিৰ চাকি
# স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী ক্ৰয় কৰি অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ নৱেম্বৰ ঃ** আলোকৰ উৎসৱ দীপাৱলী উদ্‌যাপনৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটী মহানগৰীৰ কামাখ্যা গেটত মাটিৰ চাকি ক্ৰয় কৰে। মুখ্যমন্ত্ৰীয়ে লগতে মাটিৰ চাকি বিক্ৰেতাসকলৰ সৈতে মত-বিনিময় কৰে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে উক্ত স্থানত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰশীল ভাৰতবৰ্ষ গঢ়াৰ বাবে ‘ ভোকেল ফ’ৰ লোকেল’ৰ বাবে জনসাধাৰণক আহ্বান জনাইছে। তেওঁ কয় যে আমাৰ নিজা উৎপাদিত সামগ্ৰীক লৈ আমি গৌৰাৱান্বিত হ’ব লাগিব। বিশ্ব বজাৰ দখল কৰাৰ বাবে লক্ষ্য স্থিৰ কৰিব লাগিব। তেওঁ লগতে কয় যে আমাৰ মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা মাটিৰ চাকি ক্ৰয় কৰি স্থানীয় উদ্যোগীসকলক উৎসাহিত কৰিব লাগিব যাতে আমাৰ উৎপাদিত সামগ্ৰী উন্নত মানদণ্ডৰ বুলি বিশ্বৰ বুকুত প্ৰতীয়মান কৰাৰ লগতে বিশ্বৰ বজাৰত প্ৰাধান্য লাভ কৰিব পাৰে। ইয়াৰ বাবে আমি সকলোৱে মিলিত প্ৰয়াস চলাব লাগিব। আমাৰ শিল্পীসকলে বহু কষ্ট কৰি মাটিৰ সামগ্ৰী তৈয়াৰ কৰিছে। মাটিৰ চাকি ক্ৰয় কৰি তেওঁ নিজেও উৎসাহিত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে। স্থানীয়ভাবে প্ৰস্তুত কৰা সামগ্ৰী ক্ৰয় কৰি আমাৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰ লগতে আত্মনিৰ্ভৰশীল হোৱাৰ বাবে প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**সুঃদঃ / পুঃডেঃ**
**১৩/১১/২০২০**